তোমালোকৰ মাজৰ কোনোবাই যেতিয়া প্ৰস্ৰাৱ কৰে, তেতিয়া তেওঁ যাতে সোঁহাতেৰে নিজৰ পুৰুষাংগ ধৰি নাথাকে। এইদৰে শৌচালয়ত যাতে সোঁহাতেৰে ময়লা পৰিষ্কাৰ নকৰে, আৰু পানী খোৱাৰ সময়ত যাতে পিয়লাৰ ভিতৰত উশাহ-নিশাহ নলয়।

আবূ কাতাদা ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "তোমালোকৰ মাজৰ কোনোবাই যেতিয়া প্ৰস্ৰাৱ কৰে, তেতিয়া
তেওঁ যাতে সোঁহাতেৰে নিজৰ পুৰুষাংগ ধৰি নাথাকে। এইদৰে শৌচালয়ত যাতে সোঁহাতেৰে
ময়লা পৰিষ্কাৰ নকৰে, আৰু পানী খোৱাৰ সময়ত যাতে পিয়লাৰ ভিতৰত উশাহ-নিশাহ নলয়।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেইটিমান শিষ্টাচাৰ উল্লেখ কৰিছেঃ ইয়াত তেখেতে প্ৰস্ৰাৱ কৰাৰ সময়ত সোঁহাতে পুৰুষাংগ ধৰি ৰাখিবলৈ নিষেধ কৰিছে। এইদৰে উভয় লজ্জাস্থানৰ ময়লা সোঁহাতেৰে পৰিষ্কাৰ কৰিবলৈ নিষেধ কৰিছে। কাৰণ সোঁ হাত সন্মানজনক কামৰ বাবে প্ৰস্তুত কৰা হৈছে। এইদৰে তেখেতে পানী খোৱা অৱস্থাত সেই পাত্ৰত উশাহ-নিশাহ ল'বলৈ নিষেধ কৰিছে।

https://sunnah.global/hadeeth/as/show/3079